<u>অসম বিধান সভা</u>
তৰাযুক্ত প্ৰশ্ন নং :- ৯৫
উত্তৰ দিয়াৰ তাৰিখ :- ১০/০৭/২০২৬

বিষয়: তাৰকা গৃহ নিৰ্মাণৰ সন্দৰ্ভত

বিধায়ক:- শ্ৰী পৃথ্বিৰাজ ৰাভা :

**<u>প্ৰশ্ন</u>**

মাননীয় বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্ত্তন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্ত্তন বিভাগে তেজপুৰ সমষ্টিত অত্যাধুনিক তাৰকাগৃহ নিৰ্মাণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছিল তাৰ বাবে জিলা প্ৰশাসনে ভূমিও আৱণ্টন দিছিল । বৰ্তমান এই নিৰ্মাণ হ'বলগীয়া তাৰকাগৃহটিৰ কাম আৰম্ভ নোহোৱাৰ কাৰণ কি ? জনাব ।

(খ) কেতিয়ালৈ ইয়াৰ কাম শুভাৰম্ভ কৰাৰ বাবে বিভাগে পৰিকল্পনা কৰিছে ?

**<u>উত্তৰ</u>**

মাননীয় বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্ত্তন বিভাগৰ মন্ত্ৰী **শ্ৰীযুত কেশৱ মহন্ত** দেৱে উত্তৰ দিব :

(ক) হয়, শোণিতপুৰ জিলাত এটা জিলা বিজ্ঞান কেন্দ্ৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছিল। ইয়াৰ বাবে ১০ বিঘা জোখৰ মাটি গাঁওঃ ১ নং দোলাবাৰী, মৌজাঃ ভৈৰবপদ, ডাগ নং ১ আৰু ২ ত আবণ্টন দিয়া হৈছে। সীমা দেৱাল আৰু ভূমি উন্নয়নৰ কাম সম্পূৰ্ণ হৈছে। কিন্তু বৰ্তমান মূল ভৱনটোৰ নিৰ্মাণকাৰ্য স্থবিৰ হৈ পৰিছে, কাৰণ লোক নিৰ্মাণ (গৃহ) বিভাগে সংশ্লিষ্ট ঠিকাদাৰক কাম বন্ধ কৰাৰ জাননী জাৰি কৰিছে। বাকী থকা নিৰ্মাণ কামৰ বাবে লোক নিৰ্মাণ (গৃহ) ৰ দ্বাৰা পুনৰ নিবিদা প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে ।

(খ) কামটো অৰ্পণ কৰাৰ পিছত প্ৰকল্পটো উদ্বোধনৰ বাবে সাজু কৰা হ'ব।

(উত্তৰ সমূহ **'cms.neva.gov.in'** পৰ্টেলত আপলোড কৰা হৈছে, সংলগ্ন পত্ৰ নাই)

(Replies are uploaded in the **'cms.neva.gov.in'** portal, enclosures Nil**)**

*********************